**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস। ভাৰতীয় প্ৰেছ কাউন্সিলৰ প্ৰতিষ্ঠাৰ উদযাপনৰ লগতে সংবাদ মাধ্যমৰ স্বাধীনতা আৰু বিশ্বজুৰি সাংবাদিকসকলৰ ভূমিকা সম্পৰ্কে সজাগ, সচেতন কৰাৰ বাবে এই দিৱস উদযাপন কৰা হয়। এইবাৰৰ প্ৰেছ দিৱসৰ মূল বিষয় হৈছে নতুন সাহসি বিশ্বত সাংবাদিকতা-সংবাদ মাধ্যমৰ স্বাধীনতা আৰু গণ মাধ্যমৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাব। অসমতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত স্বাধীন, দায়িত্বশীল আৰু নিৰ্ভিক সংবাদমাধ্যম গণতন্ত্ৰৰ অন্যতম মুখ্য স্তম্ভ হিচাপে পৰিগণিত হৈ আহিছে বুলি উল্লেখ কৰে। তেওঁ  প্ৰেছ দিৱস উপলক্ষে সততা, নৈতিকতা আৰু জনসাধাৰণৰ আস্থা অটুট ৰাখি প্ৰকৃত তথ্যৰে ৰাইজক সজাগ আৰু শক্তিশালী কৰি তোলা সংবাদ কৰ্মীসকলক অভিনন্দন জ্ঞাপন কৰিছে। ৰাজ্য চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ লোক নিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত ৰাজ্যিক ভিত্তিত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উদযাপন কৰিবলৈ লোৱা হৈছে। গুৱাহাটী ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা হেমন্ত বৰা-

**(বাইট ঃ হেমন্ত)**

ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে আজি শিৱসাগৰ জিলাত দুটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। জিলা সাংবাদিক সন্থাই চিত্ৰাংকণ প্ৰতিযোগিতা আৰু শিৱসাগৰ প্ৰেছ ক্লাবে প্ৰয়াত সংবাদিকসকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি  অনুষ্ঠানৰ আয়োজন কৰিছে।

তিনিচুকীয়া জিলাতো বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় প্ৰেছ দিৱস অনুষ্ঠিত হ'ব। জাৰ্নেলিষ্ট ইউনিয়ন অব আছামৰ তিনিচুকীয়া জিলা সমিতিৰ উদ্যোগত বাৰেকুৰিত দিনজোৰা কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰা হৈছে। এই উপলক্ষে আলোচনাৰ অনুষ্ঠান, সাংবাদিক আৰু উদ্যমী খেতিয়কক সম্বৰ্ধনা আৰু মত বিনিময় অনুষ্ঠানৰ আয়োজন কৰা হৈছে। তিনিচুকীয়া জিলা প্ৰশাসনৰ উদ্যোগত জিলাখনৰ তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ৰ উদ্যোগত প্ৰেছ দিৱসৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। অনুষ্ঠানত তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষানো উপলস্থিত থাকিব। এই কাৰ্যসূচীত জ্যেষ্ঠ সাংবাদিক, লেখক অমূল্য খাটনিয়াৰে ভুল তথ্যৰ বৰ্ধিত সৰবৰাহৰ মাজত সংবাদ মাধ্যমৰ বিশ্বাসযোগ্যতা ৰক্ষাৰ বিষয়ত বক্তৃতা আগবঢ়াব।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ বৃদ্ধি হোৱাৰ ফলত হাজাৰ হাজাৰ গাহৰি নিধন কৰা হৈছে। ইয়াৰ ফলত ক্ষুদ্ৰ আৰু বৃহৎ গাহৰি পালকসকলৰ যথেষ্ট ক্ষতি হৈছে। উজনি অসমৰ বিভিন্ন জিলাত বিশেষকৈ শিৱসাগৰ, ধেমাজি, ডিব্ৰুগড় আৰু লখিমপুৰত আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সৰ্বাধিক হোৱা বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। ৰাজ্য চৰকাৰৰ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ আয়ুক্ত সচিব এম এছ মণিভাননে বিভাগীয় যুটীয়া সচিব মনজিত বৰকাকতিৰ সৈতে কালি শিৱসাগৰ জিলাত উপস্থিত হৈ আফ্ৰিকান ছোৱাইন ফিভাৰৰ সংক্ৰমণ সন্দৰ্ভত বুজ লয়। আয়ুক্ত সচিবগৰাকীয়ে জিলা আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্ত তথা প্ৰশাসনিক বিষয়াবৰ্গৰ সৈতে পৰ্যালোচনা বৈঠকতো মিলিত হয়। এই বৈঠকতে তেওঁ জিলাখনত এই ৰোগ নিয়ন্ত্ৰণৰ

বাবে নীতি নিৰ্দেশনা প্ৰদান কৰে। জিলাখনৰ ক্ষতিগ্ৰস্ত গাহৰি পালকসকলৰ সৈতেও আয়ুক্ত সচিবগৰাকীয়ে মত বিনিময় কৰে।

গোলাঘাট জিলাতো আফ্ৰিকান ছোৱাইন ফিভাৰৰ প্ৰকোপ বৃদ্ধি পাইছে। জনস্বাস্থ্য আৰু পশু স্বাস্থ্য সুৰক্ষাৰ স্বাৰ্থত সকলো ৰাইজক প্ৰশাসনে সহযোগ কৰিবলৈ আহ্বান জনাইছে।

০০০০০০

ভাৰতৰ জনজাতীয় স্বাধীনতা সংগ্ৰামীসকলৰ ন্যায় আৰু সাংস্কৃতিক গৌৰৱৰ প্ৰতীক ভগৱান বীৰচা মুণ্ডাৰ ১৫০ সংখ্যক জয়ন্তী কালি অসমৰ বিভিন্ন স্থানত ভিন ভিন কাৰ্যসূচীৰে উদযাপন কৰা হয়। লখিমপুৰ জিলা প্ৰশাসন আৰু দেউৰী স্বায়ত্তশাসিত পৰিষদৰ সহযোগত লখিমপুৰতো কালি এই দিৱস পালন কৰা হয়। জিলাখনৰ নাৰায়ণপুৰৰ বৰদেউৰী কলাক্ষেত্ৰত উদযাপন কৰা জনজাতীয় গৌৰৱ দিৱসত ভালেসংখ্যক লোক উপস্থিত থাকে।

০০০০০০

সমাপ্ত